Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বৈকল্পিক)

পাঠ - ১৩

কানাইৰ চাতুৰী

অংশ - ১

অংগৰাগ ভূঞা



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পদ্যাংশ

কানাইৰ চাতুৰী



শ্ৰীধৰ কন্দলী

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কবি-পৰিচয়

শ্ৰীধৰ কন্দলী মহাপুৰুষ শংকৰদেৱৰ পৰৱৰ্তী কালৰ কবি। এওঁৰ কাব্যত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ সুস্পষ্ট। কন্দলীয়ে 'কাণখোৱা' আৰু 'ঘুনুচা কীৰ্ত্তন' নামৰ দুখন কাব্য ৰচনা কৰে। কাণখোৱা পুথিখন নিচুকনি গীতৰ আৰ্হিত ৰচনা কৰা। ইয়াত বিষ্ণুৰ অৱতাৰৰ লীলা-মাহাত্ম্য সহজ-সৰল আৰু প্ৰাঞ্জল- ভাষাত বৰ্ণনা কৰিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ইয়াত শ্ৰীকৃষ্ণৰ ঈশ্বৰত্ব আৰু মানৱ-শিশুত্বৰ ভাৱ কবিয়ে সুন্দৰভাৱে ফুটাই তুলিছে। পুথিখন দুটা অংশত ভাগ কৰিব পাৰি। প্ৰথম অংশত কাণখোৱাৰ কথা শুনি ভয়ত টোপনি যোৱা আৰু দ্বিতীয় অংশত ৰাতিপুৱা টোপনিৰ পৰা মাকে জগাবলৈ যোৱাত তেওঁ অভিমানত মাকক কোৱা নানা কথাৰ বিষয়ে বৰ্ণনা কৰা হৈছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোরে পঢ়ো সকলোরে আগবাঢ়ো

কানাইৰ চাতুৰী

একদিনা প্রতি ভকতবৎসল
কৃপাময় দেৱ হৰি।
ৰজনী প্রভাতে শুতিয়া আছন্ত
মিছা অপমান কৰি।।
সেহি সময়ত গোপ শিশু যত
আসি বোলে যশোদাক।
খেড়ি খেলাইবাক লাগয় সুন্দৰী
সত্বৰে কৃষ্ণক ডাক।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

শুনিয়া তেখনে নন্দৰ ঘৰণী
কৃষ্ণক ডাকিবে লৈলা।
এত নিদ্রা কৰ কিসৰ ভাগৰ
আদিত্য উদয় ভৈলা।।
উঠিয়ো কৃষ্ণ হাৰলি বোপাই
ৰোষ তাপ তেজি মনে।
পুহাইল ৰজনী উঠা যদুমণি
বুলি ডাকে শিশুগণে।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

যশোদাৰ বাণী শুনি চক্রপাণি
বোলন্ত নমতা মাৱ।
তোহোৰ আতাই বোপাই বোলন্ত
নুজুৰাই মোৰ গাৱ।।
দিন চাৰি পাঞ্চ নুঠিবো নাখাইবো
নাযাইবো গোৰক্ষ স্থানে।
দুর্যশ কলঙ্ক দুখ সুমৰন্তে
নসহে মোৰ পৰাণে।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মই নাৰায়ণ জগত কাৰণ
তুমি গোৱালৰ জীউ।
তথাপি তোহাক দেখন্তে ডৰত
উৰি যায় মোৰ জীউ।।
যত খাও দাও ততো শুকাই যাও
নাহি মোৰ উদগতি।
হাতমুষ্টি যেন কঙ্কালখানি যে
বান্ধত ছিগিল অতি।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

নিজ ৰূপে মই অনন্ত ব্ৰহ্মাণ্ড
সৃজি আছো লীলা কৰি।
সমস্তে জগত প্ৰতিপাল কৰি
আত্মাৰূপে আছো ধৰি।।
ব্ৰহ্মা আদি কৰি যত চৰাচৰ
মোক সেৱা কৰি যাই।
তোৰ ঘৰে আসি গৰু চাৰি ফুৰো
কৰকৰা ভাত খাই।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

নাৰায়ণ ৰূপে অনন্ত শয্যাত
জলত কৰি শয়ন।
নাভিপদ্ম হন্তে ব্ৰহ্মা উপজাইলো
সৃজিলো তিনি ভুৱন।।
বেদক পঢ়াইলো তত্ত্বজ্ঞান কৈলো
অজ্ঞান কৰিলো দূৰ।
তোহোৰ ঘৰত যতেক ঐশ্বৰ্য
সবে ভৈল মষিমূৰ।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

অসুৰৰ ভয়ে পূৰ্বে দেৱগণে
চিন্তিলে গৈয়া আমাক।
চতুৰ্ভুজ ৰূপে আসি তাৱক্ষণে
দেখা দিলো তাসম্বাক।।
মোৰ ৰূপ দেখি চমক লাগিল
ত্রিদশ পৰিল ঢলি।
আবে তুমি মোক বিগুটিয়া মাতা
কলীয়া কলীয়া বুলি।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মোহিনী স্বৰূপে অমৃত পিয়াইলো
সাধিলো দেৱৰ কাম।
তোমাৰ ঘৰে আসি ৰৰ যশ পাইলো
লৈলো দধিচোৰ নাম।।
কপিল স্বৰূপে কর্দ্দমৰ ঘৰে
হুয়া মই অৱতাৰ।
দেৱহূতি নামে মাতৃক তাৰিলো
কহিয়া তত্ত্ব বিচাৰ।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বামন স্বৰূপে বলিক ছলিলো
বিশ্বৰূপ দৰশাইলো।
চৰণৰ নখে কটাহ ফুটাইলো
গঙ্গাক আনি নমাইলো।।
সেহি পদজল শিৰত ধৰিল
মহেশ বাটত পাই।
আবে তুমি মোক বিগুটিয়া মাতা
দিয়া মাটি খোৱা দায়।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আন যত মোৰ মহিমা আছয়
কহিবাক লাগে কিক।
মই হেন পুত্ৰক মাৱ বোলাইবাক
তোহোৰ আছোক ধিক।।
কিছু কিছু কৰি দেখিয়া আছাহা
তথাপি কৰা আক্ৰোশ।
এক ক্ষণিতেকে সুৰুতি উৰাইবো
নাথাকোক মোৰ দোষ।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কাঠবাঁজী বুলি জগতে হাসয়
দেখিলে সুমৰে হৰি।
মই আসি তোৰ ঘৰে পুত্ৰ ভৈলো
সিটো দুখ দূৰ কৰি।।
তথাপি আমাৰ স্নেহ নজানস
নকৰ মোত বিশ্বাস।
আগেয়ে আছিল তেনয় কৰিবো
দিন চাৰি বাট চাস।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মোহোৰ মুখত লাজ লাগে বৰ
তোহোৰ গুণ কহন্তে।
দুই ওঠ ফাটি তেজ বহি যায়
বাশৰ বংশী বজান্তে।।
ছয়ৰতি সোণাৰ বংশী গড়ায় নেদ
ৰাজ পটেশ্বৰী হুই।
গাততে পোততে পেটাৰি বান্ধন্তে
ধনত লাগিবে জুই।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

গৰু জাক লাগি অন্ন দি পঠাস
সিয়ো হোৱে একমুঠি।
এক গ্ৰাস খাইলে আউৰ গ্ৰাসে নাটে
যাও আধাপেটে উঠি।।
গৰু আগুৰন্তে ধাতু যায় মোৰ
কণ্টক বনত বিন্ধি।
চৌপৰ দিনতো লৰৰিয়া ফুৰো
নটুৱা টনাক পিন্ধি।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কুটকুৰা চুলি পৰে গৰু-ধূলি
কুকুহা পৰিয়া যাই।
গুটাগুটি কৰি জটা বান্ধিলেক
তৈল মাথে দেখা নাই।।
কথাক কহন্তে ক্ৰন্দন আসয়
যত অপমান পাওঁ।
যেবে হওঁ মই সি বাপৰ পুত
তোক তেবে কন্দুৱাওঁ।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কংস মামা মোৰ সাৰথি আছয়
আমাক নিব মতাই।
ইটো অপমান সকলে শুজিবো
মথুৰা পুৰীক যাই।।
দৈৱকী আইত মোৰ ঘৰ বুলি
থাকিবো তাহান পাশ।
আমাক দেখিবে লাগিয়া তোহাৰ
হৈব বৰ হাবিয়াস।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কৃষ্ণৰ বচন শুনিয়া যশোদা
পুনু মাতে পাশ চাপি।
এৰ হাবিয়াস মোৰ মাথা খাস
নকান্দিবা মোৰ বাপি।।
মই অভাগীৰ ইবাৰ দোষক
মৰষিয়ো বনমালী।
আন কাল যদি দোষ দেখা মোৰ
পাৰিবাহা মোক গালি।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মাৱৰ কাৰুণ্য বচন শুনিয়া
সন্তোষিত ভৈল মন।
একে ডেৰে গৈলা কোলাত চড়িয়া
পিবাক লাগিলা স্তন।।
পৰম আনন্দে থাকিৱন্ত কৃষ্ণে
চাৰু দান্ত দৰশাই।
ব্রহ্মাণ্ডৰ সুখে থাকিলা যশোদা
কৃষ্ণৰ বদন চাই।।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

শব্দার্থ আৰু টোকা

আসি	:	আহি।
খেড়ি	:	খেলা।
ৰজনী	:	ৰাতি।
প্ৰভাত	:	পুৱা।
শুতিয়া	:	শুই।
ডাক	:	মাত।
কিস্ৰৰ	:	কিহৰ।
হাৰলি	:	অতি মৰমৰ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ৰোষ : খং, অসন্তোষ।
তেজি : ত্যাগ কৰি।
পুহাইল : পুৱাল।
সুমৰন্তে : সুঁৱৰি।
ডৰত : ভয়তে।
কৰকৰা ভাত : ঠাণ্ডা (বাহি) ভাত।
তাসম্বাক : তেওঁলোকক।
তাৱক্ষণে : তৎক্ষণাৎ।
বিগুটিয়া : ঠাট্টা কৰা।
ছালিবে : ছলনা কৰিলোঁ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কটাহ : ঢাকনি বা আৱৰণ। কোনো বস্তুৰ টান বাকলি।

তত্ত্ব : মূল সত্য।

কণ্টক বন : কাঁইটেৰে ভৰা বন।

চৌপৰ : চাৰি প্ৰহৰ।

গড়ায় : গঢ়াই।

নটুৱা : মতা বা তিৰোতাৰ বেশ লৈ নচা ল'ৰা।

টনা : দুই মূৰ মোনাৰ দৰে সীয়া এৰীয়া গামোচা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



সেৱালি : প্ৰণাম; সেৱা।

কাঠবাঁজী : যি তিৰোতাৰ সন্তান নাই।

কুকুহা : জপৰা, জবৰা, আউল-বাউল।

এবিধ চৰাই। দেখাত কাউৰীৰ সমান, ডাঙৰ, ইটাবৰণীয়া।

পাশ : কাষ।

বাপি : বোপাই।

খিণ্ডবে : খণ্ডন বা দূৰ হ'ব।

Under CSR Support by
ipca | Foundation


শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বামন : বিষ্ণুৰ পঞ্চম অৱতাৰ। বিষ্ণুৱে বাওনা মানুহৰ ৰূপ লৈ এই অৱতাৰ ধাৰণ কৰিছিল। এওঁ দৈত্যৰাজ বলিৰ যজ্ঞলৈ আহি তিনি পদ ভূমি বিচৰাৰ ছলেৰে তেওঁক পাতাললৈ পঠাইছিল।

দেৱহুতি : স্বায়ংম্ভুৱ মুনিৰ কন্যা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



কংস : মথুৰাৰ ৰজা। শ্ৰীকৃষ্ণৰ মোমায়েক। এওঁ কৃষ্ণক শত্ৰুৰূপে চিন্তা কৰি তেওঁৰ হাততে মৃত্যু বৰণ কৰে।

পৃথু : পুৰাণ প্ৰসিদ্ধ এজন বিখ্যাত ৰজা আৰু ৰজা বেনৰ পুত্ৰ; এওঁ এবাৰ দেশত আকাল হোৱাত গাই এজনীৰ ৰূপ ধাৰণ কৰা পৃথিৱীক খীৰাই প্ৰজাৰ প্ৰাণ ৰক্ষা কৰিছিল বুলি শাস্ত্ৰত উল্লেখ আছে।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





১। কৃষ্ণক টোপনিৰ পৰা জগাবলৈ কোনে আহি যশোদাক কৈছিল?

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





২। কৃষ্ণই কিমান দিন টোপনিৰ পৰা নুঠাকৈ আৰু নোখোৱাকৈ থাকিব বুলি মাকক জনাইছিল?

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





৩। দেৱতাসকলক অমৃত খুৱাবলৈ কৃষ্ণই কি ৰূপ ধাৰণ কৰিছিল?

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



৪। কপিল মুনিৰ মাতৃ কোন আছিল?

